**ICSE SEMESTER — I EXAMINATION**
**SPECIMEN QUESTION PAPER**
**ASSAMESE**

---

*Maximum Maks 40*

*Time allowed: One and a half hour (inclusive of reading time)*
*The marks intended for qestions are given in brackets [ ].*

---

**SECTION — A (20 Marks)**

1. Read the passage given below and choose the correct answer that given in the following questions and ✓the write one.

Answer in Assamese the questions that follow, using your own words as fat as possible:-

**তলত দিয়া কথাংশ পঢ়ি চোৱা আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই শুদ্ধ চিন দিয়া :-** **[10 × 1 = 10]**

"এগৰাকী সাহিত্যিক সময়ৰ সোঁতত চিৰদিনৰ বাবে হেৰাই যায়, কিন্তু বৰ্তমান হৈ থাকি যায় তেওঁৰ ৰচিত পুথিবোৰ। মানৱ অভিজ্ঞতা স্থায়ীভাবে ৰক্ষা কৰাৰ পৰিণতিতেই পুথি, কিতাপ বা গ্ৰন্থৰ জন্ম। ধন-ধান জমা কৰি থোৱা ঠাইৰ নাম ভঁৰাল। সেইদৰে পুথি জমা কৰি থোৱা ঠাইৰ নাম পুথিভঁৰাল। পুথিভঁৰাল দুই শ্ৰেণীৰ — ব্যক্তিগত আৰু ৰাজহুৱা। ব্যক্তিগত পুথিভঁৰাল কোনো এজন লোকৰ নিজা সম্পত্তি। ৰাজহুৱা পুথিভঁৰাল স্থাপন হয় উমৈহতীয়া চেষ্টাৰ ফলত আৰু এই পুথিভঁৰাল স্থাপনৰ বাবে চৰকাৰেও সহায় কৰে। কোনো কোনো ৰাজহুৱা পুথিভঁৰাল চৰকাৰে নিজেও স্থাপন কৰে। পুথিভঁৰালৰ পৰম্পৰা অতি প্ৰাচীনকালৰে পৰা চলি আহিছে। পুৰণিকালত ৰজাসকলে নিজৰ ব্যৱহাৰৰ কাৰণে পুথিভঁৰাল স্থাপন কৰিছিল। প্ৰাচীনকালত অতি কষ্টৰে হাতে লিখা পুথিহে পুথিভঁৰালত ৰখা হৈছিল। কিন্তু আধুনিক যুগত ছপাশাল ওলোৱাৰ লগে লগে পুথি সহজলভ্য হ'ল। পুথিভঁৰাল কেবাপ্ৰকাৰৰো, যেনে — সাধাৰণ পুথিভঁৰাল, বিশেষ পুথিভঁৰাল, গাঁৱলীয়া পুথিভঁৰাল, চলন্ত পুথিভঁৰাল আদি। সাধাৰণ পুথিভঁৰালত সাধাৰণতে প্ৰায় সকলো বিষয়ৰে পুথি থাকে। অসম চৰকাৰৰ বুৰঞ্জী পুৰাতত্ত্ব বিভাগৰ পুথিভঁৰাল বিশেষ পুথিভঁৰালৰ শ্ৰেণীত পৰে। চলন্ত পুথিভঁৰাল আধুনিক যুগৰ সৃষ্টি। এই পুথিভঁৰাল একে ঠাইতে নাথাকে আৰু এনে পুথিভঁৰালৰপৰা বহু ঠাইৰ মানুহ উপকৃত হয়। পুথিভঁৰাল নিয়াৰিকৈ চলোৱাৰ বাবে এজন গ্ৰন্থাগাৰিক থাকে আৰু তেওঁক সহায়ৰ বাবে বহুত কৰ্মচাৰী থাকে। পুথিভঁৰালৰ গ্ৰন্থাগাৰিকজনৰ গাত অনেক গুণ থাকিব লাগে আৰু নানা বিষয়ৰ জ্ঞান থাকিব লাগে। আৱশ্যক হ'লে পঢ়ুৱৈৰ যোগ্যতা চাই কিতাপ বাচি দিবৰ সামৰ্থ্যও তেওঁৰ থাকিব লাগিব আৰু পুথিভঁৰালত এনে এটা পৰিৱেশৰ সৃষ্টি কৰিব পাৰিব লাগিব যাৰ দ্বাৰা পাঠক-পাঠিকাৰ মন পুথিভঁৰালৰ প্ৰতি আকৃষ্ট হয়। পুথিভঁৰালত থকা বিভিন্ন কিতাপ, আলোচনী আদি পঢ়ি আমি বিশ্বত ঘটা বিভিন্ন ঘটনাবিলাকৰ জ্ঞান লাভ কৰিব পাৰে আৰু জ্ঞানপিপাসু লোকসকলৰ জ্ঞানৰ হেঁপাহ পলুৱাবৰ জোখাৰে এই পুথিভঁৰালে সুবিধা প্ৰদান কৰে। পুথিভঁৰাল মানৱ সমাজৰ এটি অপৰিহাৰ্য অঙ্গ। ব্যক্তিগত পুথিভঁৰাল স্থাপনৰ বাবেও

আমি তৎপৰ হোৱা উচিত। পুথিভঁৰালৰ অভাৱত সমাজ বিকলাঙ্গ হোৱাৰ ফলত সমাজৰ উন্নতি ব্যাহত হয়। সেইবাবে উন্নত ধৰণৰ পুথিভঁৰলৰ স্থাপন দেশৰ সকলো ঠাইতে কৰাৰ বাবে চৰকাৰ আৰু ৰাইজ তৎপৰ হোৱা উচিত।

1. পুথিভঁৰাল প্ৰধানতঃ —

   (i) দুই শ্ৰেণীৰ (ii) তিনি শ্ৰেণীৰ

   (iii) ওপৰৰ এটাও শুদ্ধ নহয় (iv) চাৰি শ্ৰেণীৰ

2. পুথিভঁৰালৰ সমাৰ্থক শব্দটো হ'ল —

   (i) গ্ৰন্থাগাৰ (ii) গ্ৰন্থমেলা

   (iii) ওপৰৰ ওটাও শুদ্ধ নহয় (iv) আনন্দমেলা

3. সমাজ বিকলাঙ্গ হোৱাৰ ফলত সমাজৰ উন্নতি ব্যাহত হয় —

   (i) চিন্তাৰ অভাৱত (ii) পুথিভঁৰালৰ অভাৱত

   (iii) খাদ্যৰ অভাৱত (iv) চৰকাৰৰ চেষ্টাৰ অভাৱ

4. প্ৰাচীনকালত পুথিভঁৰালত ৰখা হৈছিল —

   (i) ছপা কৰা পুথি (ii) হাতে লিখা পুথি

   (iii) ডি টি পি কৰা পুথি (iv) প্ৰিণ্ট কৰা পুথি

5. চলন্ত পুথিভঁৰাল মানে —

   (i) একে ঠাইতে থকা পুথিভঁৰাল (ii) একে ঠাইতে নথকা পুথিভঁৰাল

   (iii) ওপৰৰ এটাও শুদ্ধ নহয় (iv) স্থায়ী পুথিভঁৰাল

6. গ্ৰন্থাগাৰিক শব্দটোৱে বুজায় —

   (i) পুথিভঁৰালক (ii) পুথিভঁৰালীক

   (iii) গ্ৰন্থাগাৰক (iv) গ্ৰন্থমেলাক

7. আধুনিক শব্দটোৰ বিপৰীত শব্দটো হৈছে —

   (i) অধুনা (ii) পৌৰাণিক

   (iii) নতুন (iv) বৰ্তমান

8. গ্ৰন্থাগাৰিকজনে —

   (i) পুথিভঁৰালটো নিয়াৰিকৈ চলায়

   (ii) পুথি কিনা কাম কৰে

   (iii) মানুহৰ ঘৰে ঘৰে কিতাপ দিবলৈ যায়

   (iv) কেৱল মানুহক কিতাপ দিয়ে

9. অভাৱ শব্দৰ বিপৰীত শব্দটো হৈছে —

(i) অনাটন (ii) উভৈনদী

(iii) উভটনি (iv) নাটনি

10. তলৰ কোনটো শব্দ পুথি শব্দৰ সমাৰ্থক নহয় —

(i) পুস্তক (ii) কিতাপ

(iii) পুষ্প (iv) গ্ৰন্থ

**2.** Choose the correct answer that given in the following questions and ✓ the write one.

**তলত দিয়া প্ৰশ্নসমূহ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই শুদ্ধ চিহ্ন দিয়াঃ-** **[10 × 1 = 10]**

1. বিপদ হোৱাৰ আগতেই মানুহে সতৰ্ক হৈ থকা উচিত। বিপদটো হৈ যোৱাৰ পিছত বিপদৰ পৰা হাত সৰাৰ উপায় চিন্তা কৰি একো লাভ নাই।

(i) অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ

(ii) চোৰ গ'লে বুদ্ধি বৰষুণ গ'লে জাপি

(iii) হলা গছত বাগি কুঠাৰ মৰা

(iv) উপকাৰীক অজগৰে খায়।

2. বিহু অসমীয়াৰ —

(i) সন্মান (ii) বাপতি সাহোন

(iii) অপমান (iv) জীৱন

3. জীৱনৰ আন এটা নামেই হৈছে —

(i) মৰণ (ii) সংগ্ৰাম

(iii) কৰ্তব্য (iv) যুদ্ধ

4. তলত দিয়া কোনটো শব্দ সপোন শব্দটিৰ সমাৰ্থক শব্দ নহয় —

(i) সমাজিক (ii) সমাজ

(iii) স্বপ্ন (iv) স্বপ্নময়

5. তলত দিয়া কোনটো খণ্ডবাক্য শুদ্ধ চিন দিয়া —

(i) ফৰিং ফুটা বাখৰ (ii) ফৰিং ফুটা জোন

(iii) ফৰিং ফুটা জোনাক (iv) ফৰিং ফুটা নিয়ৰ

6. দুৰ্জনৰ লগত থাকিলে কেতিয়াবা সাধুজনৰো বিপদত পৰিব লগা অৱস্থা হয় —

(i) উলুৰ লগত বগৰি পোৰা (ii) উপকাৰীক অজগৰে খায়

(iii) হস্তীৰো পিছলে পাৰ, সজ্জনৰো বুৰে নাও (iv) এশ গৰু মাৰিলে বাঘৰো মৰণ

7. বগাকৈ বগলী বহলাই বহিছে........ ইয়াৰ পিছত শব্দটো হ'ল —

(i) বলুকাত (ii) বাগিছাত

(iii) বননিত (iv) বিপদত

8. ৰাতিপুৱাই উঠি স্মৰণ কৰিবলগীয়া ব্যক্তি —

(i) চিৰস্মৰণীয় (ii) সদাস্মৰণীয়

(iii) প্ৰাতঃস্মৰণীয় (iv) নিত্য স্মৰণীয়

9. হাট আৰু হাত শব্দ দুটাৰ ক্ৰমান্বয়ে অৰ্থ হৈছে —

(i) শৰীৰৰ অঙ্গ আৰু বজাৰ (ii) বজাৰ আৰু শৰীৰৰ অঙ্গ

(iii) এটাও নহয় (iv) ক আৰু খ দুয়োটাই হয়

10. আলহী আহিছে, অলপ..........ৰ যোগাৰ কৰা —

(i) মা-মছলা (ii) জা-জলপান

(iii) টকা-পইচা (iv) খা-খবৰ

## SECTION — B (20 Marks)

***Answer questions from the two books you have studied.***

## অসমীয়া চুটি গল্পৰ প্ৰবাহ

## ASOMIYA SUTI GALPAR PRABAH

**3.** Read the question given from the story and choose the correct answer that given in the following questions and ✓the write one:- **[10 × 1 = 10]**

তোমাৰ গল্প পুথিৰ অসমীয়া চুটি গল্পৰ প্ৰবাহৰ পৰা তুলি দিয়া তলত দিয়া প্ৰশ্নসমূহ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই শুদ্ধ চিন দিয়া :-

1. "কাশীবাসী" নামৰ গল্পটিত উল্লেখ কৰা বুঢ়ীগৰাকীয়ে লেখকৰ লগত কথা পাতোতে মুখৰ পৰা মাত থোকা-থুকি হৈ ওলাইছিল। কাৰণ.....

(i) বুঢ়ীৰ মৃত্যু ওচৰ চাপিছিল

(ii) বুঢ়ীয়ে মানৰ অত্যাচাৰৰ কথা সুঁৱৰি দুখ প্ৰকাশ কৰিছিল

(iii) তেওঁ নিজৰ স্বামীক বিচাৰি পোৱা নাছিল

(iv) তেওঁৰ বৰ ঠাণ্ডা লাগিছিল

2. চন্দ্ৰকান্ত ৰজাৰ দিনত মানে অসমীয়া মানুহক কেনে অত্যাচাৰ কৰিছিল বুলি ''কাশীবাসী'' নামৰ গল্পটোত বুঢ়ীগৰাকীয়ে কৈছে ?

(i) চোৰাত পাতেৰে কোবাই গৰম পানী ঢালি দিছিল।

(ii) সিহঁতে অসমীয়া মানুহক কোম্পানীৰ মানুহৰ হাতত গটাই দিছিল।

(iii) সিহঁতে অসমীয়া মানুহক বলি দিছিল।

(iv) সিহঁতে দেশৰ পৰা ধন-বস্তু যি পালে চুচি নিয়াৰ লগতে গৰু-ছাগলী সাঙুৰি নিয়াদি লৈ গৈছিল।

3. ''এইটো কি ? মোক কিহে পালে ? মোৰ কি হ'ল, কোনোবাই ক'ব পাৰিবনে ? মই হ'লে তাৰ মোৰ উলিয়াব নোৱাৰি বিমোৰত পৰিলো।'' ....... ''পাটমুগী''ৰ কাহিনীটো কোনে বৰ্ণনা কৰিছে ?

(i) লেখক লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃটিক' সাহিত্যিক বন্ধুজনে।

(ii) ৰংপুৰৰ উকীলজনে

(iii) পাটমুগীয়ে নিজে

(iv) লেখক লক্ষ্মীনাথ বেজবৰুৱা দেৱে পাটমুগীৰ দদায়েকে বৰ্ণনা কৰিছে বুলি বুজাইছে।

4. ''পাটমুগী'' গল্পটোত বৰ্ণনা কৰা অনুসৰি সেই সময়ত কুমাৰ মানুহৰ অৰ্থনৈতিক অৱস্থা কেনে আছিল ?

(i) কুমাৰ মানুহৰ অৰ্থনৈতিক অৱস্থা অতি উন্নত আছিল।

(ii) বিদেশী বস্তুৰে আমাৰ দেশ উপচি পৰাৰ ফলত তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা লাহে লাহে ভাল হৈ আহিছিল।

(iii) তেওঁলোকৰ নাজল-নাথল অৱস্থা হৈছিল।

(iv) কুমাৰ বৃত্তি গ্ৰহণ কৰি সকলোৰে অৱস্থা নদন-বদন হৈছিল।

5. ঔটেঙা গছত উঠা দদায়েকৰ ভৰ যৌৱনা পাটমুগীক দেখি মনৰ প্ৰতিক্ৰিয়া কেনে হৈছিল ?

(i) ভৰ যৌৱনা পাটমুগীক দেখি তেওঁ হঠাতে তাইৰ প্ৰতি আকৰ্ষিত হৈছিল।

(ii) তাইৰ দুখৰ কাহিনীয়ে তাইৰ অন্তৰত দুখ দিছিল।

(iii) 'ক' আৰু 'খ' দুয়োটাই শুদ্ধ।

(iv) 'ক' আৰু 'খ' দুয়োটাই অশুদ্ধ।

6. ''পৃথিৱীৰ অসুখ'' নামৰ গল্পটোত নিবাৰণ বৰুৱাৰ ঘৰলৈ ভাড়াঘৰ বিচাৰি গৈ অজয় চলিহাই প্ৰথম সাক্ষাততে কিয় অপ্ৰস্তুত হৈছিল ?

(i) কাৰণ তেওঁ আগতেই গম পাইছিল যে নিবাৰণ বৰুৱাৰ দ্বিগম্বৰতা তেওঁৰ কাৰণে নিচেই সাধাৰণ।

(ii) নিবাৰণ বৰুৱাৰ কঁকালৰ পৰা টাৱেলখন সুলকি পৰাত অজয় চলিহা অপ্ৰস্তুত হৈছিল।

(iii) তেওঁৰ ঘৰৰ অপৰিষ্কাৰ আচবাববোৰ দেখি অজয় চলিহা অপ্ৰস্তুত হৈছিল।

(iv) মনোৰমা দুৱাৰানীৰ অস্বাভাৱিক অৱস্থা দেখি তেওঁ অপ্ৰস্তুত হৈছিল।

7. ''পৃথিৱীৰ অসুখ'' নামৰ গল্পটোত ভাড়া কিমান দিব লাগিব বুলি সুধোতে বায়েক মনোৰমাই কিমান বুলি ক'লে ? শেষত কিমান ভাড়া নিৰ্দ্দিষ্ট কৰা হ'ল ?

(i) এক হাজাৰ। শেষত 140 টকাত ভাড়া নিৰ্দ্দিষ্ট হ'ল।

(ii) এক হাজাৰ পঞ্চাশ। শেষত 150 টকাত ভাড়া নিৰ্দ্দিষ্ট হ'ল।

(iii) এক হাজাৰ ত্ৰিশ। শেষত 35 টকাত ভাড়া নিৰ্দ্দিষ্ট হ'ল।

(iv) এক হাজাৰ চল্লিশ। শেষত 32 টকাত ভাড়া নিৰ্দ্দিষ্ট হ'ল।

8. মনোৰমাৰ আচাৰ-ব্যৱহাৰ, ভাৱ-ভংগী দেখি অজয় চলিহাই তেওঁৰ বিষয়ে কি এক ধাৰণা কৰিলে ?

(i) তেওঁ এগৰাকী মানসিকভাৱে সৰল মহিলা আছিল।

(ii) সমাজৰ বাবে মনোৰমা এক আতংক আছিল।

(iii) মনোৰমাৰ ব্যৱহাৰ নিঃসন্দেহে অস্বাভাৱিক, কিন্তু উগ্ৰ নাছিল।

(iv) মনোৰমা এগৰকী অতি টেঁঙৰ মহিলা আছিল।

9. ''ৰক্তবীজ'' নামৰ গল্পটোত দুই বন্ধু মহা আনন্দেৰে জগন্নাথ তীৰ্থলৈ যোৱাৰ পাছতেই ঘৰ দুখনৰ মাজত কিয় শত্ৰুতা আৰম্ভ হ'ল ?

(i) যদুহঁতৰ গৰু এটাই মণিহঁতৰ খেতিত সোমাই কেইডালমান ঘাঁহ খোৱাৰ বাবে ঘৰ দুখনৰ মাজত কাজিয়া হৈ শত্ৰুতা হ'ল।

(ii) মণিহঁতৰ গৰু এটাই যদুহঁতৰ খেতিত সোমাই কেইডালমান ঘাঁহ খোৱাৰ বাবে ঘৰ দুখনৰ মাজত কাজিয়া হৈ শত্ৰুতা হ'ল।

(iii) যদুৰ মাক আৰু মণিৰ মাকৰ মাজত কাজিয়া লগাৰ বাবে শত্ৰুতা আৰম্ভ হ'ল।

(iv) ধনবৰ তৰণীৰ উকিলক একুৰি ৰূপ দিয়াৰ বাবে ঘৰ দুখনৰ মাজত শত্ৰুতা হ'ল।

10. ৰক্তবীজে গাঁওখন কেনেদৰে ধ্বংসৰ ফালে লৈ গ'ল ?

(i) গাঁৱৰ ল'ৰা-ছোৱালীয়ে দুই খেল হৈ ধেমালি কৰা হ'ল। আগৰ দৰে বুঢ়া-ডেকাই গধূলি নামঘৰত বহি নাম-কীৰ্ত্তন নকৰা হ'ল।

(ii) গাঁৱত দুই খেলৰ সৃষ্টি হ'ল

(iii) গাঁৱত খেল মোকৰ্দ্দমাৰ পয়োভৰ বাঢ়িল

(iv) গোটেই কেইটা শুদ্ধ

## সাউদৰ পুতেকে নাও মেলি যায় (হোমেন বৰগোহাঞি) [10 × 1 = 10]

## SAUDOR PUTEKE NAO MELI JAI

**4.** Read the question given from the novel and choose the correct answer that given in the following questions and ✓the write one:-

তলত দিয়া তোমাৰ পাঠ্যপুথি 'সাউদৰ পুতেকে নাও মেলি যায়' নামৰ উপন্যাসখিনিৰ পৰা তুলি দিয়া প্ৰশ্নসমূহ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই শুদ্ধ চিন দিয়া:-

1. বহুত সময় চেষ্টা কৰিও বাপুকণে অংককেইটা কৰি শেষ কৰিব পৰা নাছিল। কাৰণ —

(i) বাপুকণৰ মূৰত অংকৰ কোনো অস্তিত্বই নাছিল। হেবাঙৰ খোজৰ শব্দ শুনিবলৈ সি বৰ আগ্ৰহেৰে ৰৈ আছিল।

(ii) আম খোৱাৰ চিন্তাই তাক পাগল কৰি ৰাখিছিল।

(iii) দেউতাকে দুপৰীয়া দিয়া ত্ৰৈৰশিকৰ অংককেইটা বৰ কঠিন আছিল।

(iv) ওপৰৰ এটাও শুদ্ধ নহয়।

2. বাপুকণৰ শিয়ালৰ লগত থকা মধুৰ সম্পৰ্কত ঘুণে ধৰাৰ কাৰণ —

(i) গধূলি শিয়ালবোৰে হোৱা দিয়া নুশুনাৰ বাবে।

(ii) শিয়ালবোৰে তাৰ মৰমৰ কুকুৰ পোৱালিকেইটা খাই পেলোৱাৰ বাবে।

(iii) সি কুকুৰ পোৱালি পুহিবলৈ লোৱাৰ পৰা শিয়ালক ভাল নোপোৱা হোৱা বাবে।

(iv) প্ৰকৃততে শিয়ালৰ লগত তাৰ মধুৰ সম্পৰ্কই নাছিল।

3. হেবাঙৰ ঘৰৰ চাংতলত লুকাই থাকোতে দেউতাকে তাক বিচাৰি অহাত বাপুকণৰ দেউতাকে যোৱাৰ আগে আগে হেবাঙৰ মাকক কি কথা কৈ গ'ল ?

(i) বাপুকণ এটা অতি অবাধ্য ল'ৰা বাবে তাক ভাত-পানী নিদিবলৈ হেবাঙৰ মাকক কৈ থৈ গ'ল।

(ii) বিবেক দংশনৰ বাবেহে বাপুকণ বিচনাৰ তলত সোমাই আছে। কিয়নো সি এটা অপৰাধ কৰিছে বুলি বুজি পাইছে। আচলতে সি মোৰ ভয়ত এনেকৈ পলাই থকা নাই, নিজৰ ভয়তেই পলাই ফুৰিছে যি হওক, মই বাৰু যাওঁ। তুমি পাৰিলে বুজাই-বঢ়াই তাক ভাত দুটামান খুৱাবা।

(iii) তাক পুনৰ ঘৰলৈ ঘূৰি নাযাবলৈ কৈ দেউতাক গুচি গ'ল।

(iv) বাপুকণ বিচনাৰ তলৰ পৰা ওলাই আহিলেই তাক ধৰি বান্ধি তেওঁৰ ওচৰলৈ যাবলৈ হেবাঙৰ মাকক কৈ থৈ গ'ল

4. মহঘূলি নৈত সাঁতুৰি-নাদুৰি অৱশেষত বাপুকণে কি সিদ্ধান্ত ল'লে ?

(i) বাপুকণে দেউতাকৰ শাস্তিৰ ভয়ত সেইদিনা মহঘূলি নৈৰ পাৰতে থাকিব বুলি সিদ্ধান্ত ল'লে।

(ii) ঘৰলৈ ঘূৰি যাব বুলি সিদ্ধান্ত ল'লে।

(iii) সি কেতিয়াও ঘৰলৈ নাযায় বুলি সিদ্ধান্ত ল'লে।

(iv) হেবাঙৰ কথামতে হেবাঙৰ ঘৰতে সেইদিনা থকাৰ সিদ্ধান্ত ল'লে।

5. হলিবাৰীলৈ আম খাবলৈ গৈ বাপুকণ আৰু হেবাঙে উতলা পানীৰ হোলাটো পাৰ হৈ প্ৰথমে সিহঁত ক'ত থিয় দিলে ?

(i) সৰ্বেশ্বৰহঁতৰ কঠীয়াতলীৰ ঢাপটোত থিয় দিলে।

(ii) ৰত্নেশ্বৰহঁতৰ কঠীয়াতলীৰ গছজোপাৰ তলত থিয় হ'ল।

(iii) ঘনকান্তহঁতৰ কঠীয়াতলীৰ ঢাপটোৰ ওচৰত থিয় হ'ল।

(iv) ঘনকান্তহঁতৰ কঠীয়াতলীৰ হোলাটোৰ ওচৰত থিয় হ'ল।

6. বাপুকণৰ দেউতাকৰ কুকুৰৰ প্ৰতি মনোভাব কেনে আছিল ?

(i) কুকুৰৰ প্ৰতি শত্ৰুতাৰ ভাৱ আছিল।

(ii) তেওঁৰ মনত কুকুৰৰ প্ৰতি সন্তোষজনক ভাৱ আছিল।

(iii) দেউতাকে কুকুৰ বৰ ভাল পাইছিল।

(iv) বাৰীৰ চাৰিবেৰৰ ভিতৰলৈ কুকুৰ আহিলেই তেওঁ সিহঁতক খাবলৈ খোৱা বস্তু দিছিল।

7. নিজৰ পেটৰ পো-জীয়ে মাক-বাপেকক এনেকৈ বাঘৰ দৰে দেখাটো একো ভাল কথা নহয় ......... এই কথাষাৰ কৈছিল —

(i) হেবাঙে (ii) বাপুকণে

(iii) বাপুকণৰ দেউতাকে (iv) হেবাঙৰ মাকে

8. মাখনীৰ প্ৰাণহীন দেহটো মেৰিয়াই নিছিল —

(i) কাপোৰেৰে (ii) ঢাৰিৰে

(iii) কলপাতেৰে (iv) গছৰ পাতেৰে

9. খৰালিৰ দিনত মহঘুলি নৈৰ পানী ফটিকা ধাৰৰ নিচিনা স্বচ্ছ আৰু নিৰ্মল। কিন্তু বাৰিষা মহঘুলি নৈৰ পানীৰ বৰণ —

(i) আহু চাউল ধোৱা পানীৰ নিচিনা।

(ii) জহা চাউল ধোৱা পানীৰ নিচিনা।

(iii) বৰা চাউল ধোৱা পানীৰ নিচিনা।

(iv) শালি চাউল ধোৱা পানীৰ নিচিনা।

10. গোটেই বাটচোৰা তেওঁ খঙত এনেকৈ জলি-পকি গৈছিল যে বাপুকণক ভালকৈ কেইটামান খকৰা-মুকুটি দিবলৈ নোপোৱালৈকে তেওঁৰ শান্তি নাছিল। ওপৰৰ খকৰা মুকুটি শব্দটোৰ অৰ্থ হ'ল —

(i) চৰ মৰা

(ii) গতা মাৰি দিয়া

(iii) হাত মুঠি মাৰি বুঢ়া আঙুলিৰ আগেৰে গালত কৰা আঘাট

(iv) ভৰিৰে কৰা প্ৰহাৰ

## কবিতা মঞ্জৰী

**KABITA MONJORI** **[10 × 1 = 10]**

**5.** Read the question given from the Poetry book KOBITA MONJORI and choose the correct answer that given in the following questions and ✓ the write one:-

তোমাৰ পাঠ্যপুথি 'কবিতা মঞ্জৰী' নামৰ কবিতা পুথিৰ পৰা তুলি দিয়া প্ৰশ্নসমূহ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই শুদ্ধ চিন দিয়া:-

1. তলত কোনটো ৰোমাণ্টিক কবিতাৰ লক্ষণ নহয় —

(i) প্ৰকৃতি প্ৰীতি (ii) প্ৰেম আৰু সৌন্দৰ্যৰ পূজাৰী

(iii) কল্পনাপ্ৰৱণতা (iv) নিষ্ঠুৰতা

2. নিয়ৰ কবিতাটিৰ কবি হ'ল —

(i) লক্ষ্মীনাথ বেজবৰুৱা (ii) চন্দ্ৰকুমাৰ আগৰৱালা

(iii) ৰঘুনাথ চৌধাৰী (iv) হেম বৰুৱা

3. কেতেকীয়ে প্ৰকৃতিক কেনেধৰণৰ সাজ পিন্ধালে বুলি কবিয়ে কৈছে —

(i) মৰমৰ সাজ (ii) গাভৰু সাজ

(iii) প্ৰকৃতিৰ সাজ (iv) পাটৰ সাজ

4. নিয়ৰ কবিতাত কবিয়ে নিয়ৰ টোপাল চাই থাকোতেই কিহে জোকাৰি পেলালে বুলি কৈছে —

(i) এচাটি বতাহে (ii) এজাক বৰষুণে

(iii) ফুলৰ পাহিয়ে (iv) সৰগৰ অপেশ্বৰীয়ে

5. ব্ৰজধামত কৃষ্ণৰ গুণ-গান গাই দধিমথন কৰিছে —

(i) গোপশিশু সকলে (ii) যশোদাই

(iii) ব্ৰজবধূসকলে (iv) নন্দৰজাই

6. মমতাৰ চিঠি কবিতাটিত মমতাই চিঠি এখন লিখিবলৈ লৈ —

(i) লাইট জলাইছে (ii) লেম্প জলাইছে

(iii) চাকি জলাইছে (iv) মম জলাইছে

7. সিদিনা আছিল কাতিৰ কুঁৱলীসনা এটা কোমল পুৱা। পদূলিত উপচি আছিল —

(i) তলসৰা শেৱালি (ii) মালতী

(iii) নিয়ৰসনা দুবৰি (iv) হাচনাহানা

8. মালতী কবিতাটিত কবিয়ে শেষ নিশ্বাস ত্যাগ কৰিব বিচাৰিছে —

(i) প্ৰকৃতিৰ কোলাত মূৰ থৈ

(ii) পৰ্বতৰ শিখৰত আৰোহণ কৰি

(iii) মালতীৰ কোলাত মূৰ থৈ

(iv) তটিনীৰ তীৰত বৈ

9. তেজৰে কমলাপতি বৰগীতটিৰ ৰচক —

(i) শংকৰদেৱ (ii) মাধৱদেৱ

(iii) দামোদৰদেৱ (iv) মাধৱ কন্দলি

10. কেতেকী কবিতাটিৰ কবি ৰঘূনাথ চৌধাৰীক কোৱা হয় —

(i) বিহগী কবি বুলি (ii) বকুল বনৰ কবি বুলি

(iii) সুগন্ধি পখিলাৰ কবি বুলি (iv) সৰস্বতী কবি বুলি

# কাৰেঙৰ লিগিৰী

# KARENGAR LIGIRI

## ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা [10 × 1 = 10]

**6.** Read the question given from the Drama and choose the correct answer that given in the following questions and ✓the write one:-

তোমাৰ পাঠ্যপুথি 'কাৰেঙৰ লিগিৰী' নামৰ নাটকখনিৰ পৰা তুলি দিয়া প্ৰশ্নসমূহ ভালদৰে পঢ়া আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই শুদ্ধ চিন দিয়া:-

1. "ৰাজমুকুটটো গধুৰ। তাৰেই ভাৰ দুৰ্বহ। আৰুনো আন এটা ভাৰ তাত কিয় ?" উক্ত উক্তিষাৰ কোনে কৈছিল ?

   (i) সুদৰ্শন (ii) অনঙ্গ

   (iii) ৰাজমাও (iv) সুন্দৰ

2. আগনিশা। বুঢ়াগোহাঁইৰ টোল বুঢ়াগোহাঁইৰ একেজনী জীয়েক। তেওঁৰ নাম —

   (i) শেৱালি (ii) ৰেৱতী

   (iii) কাঞ্চনমতী (iv) সেউজী

3. শেৱালিৰ বয়স হৈছে —

   (i) 17-18 বছৰ (ii) 18-19 বছৰ

   (iii) 16-17 বছৰ (iv) 19-20 বছৰ

4. "কাৰেং" শব্দৰ অৰ্থ হ'ল —

   (i) ৰজাৰ ৰাজপ্ৰাসাদ (ii) নাচনী ছোৱালীৰ ঘৰ

   (iii) মুখ্য ৰাণীৰ কোঠা (iv) সভাসদ বহা কোঠা

5. "বান্ধ তুমি দিনে দিনে ল'ৰা হৈছে আহিছা — ব'লা ইয়াৰ পৰা আহা।"— উক্ত কথাষাৰ কৈছিল —

   (i) সুন্দৰ (ii) অনঙ্গ

   (iii) বপুৰা (iv) সুদৰ্শন

6. সুন্দৰ — "(ৰাজমাওক) তুমিও মোৰ যেনে মাও ময়ো তোমাৰ তেনে সন্তান। তুমিও নেৰা ময়ো নেৰো। তুমি আৰু মোক আমনি নকৰিবা। মোক বিবাহৰ কাৰণে এনেকৈ আমনি কৰিলে মই কাৰেং ৰাজ্য এৰি গুচি যাম। বিয়া সুন্দৰে নকৰায়।"— উক্ত কথাষাৰ কাৰেঙৰ লিগিৰীৰ কোন অংক আৰু কোন দৰ্শনত আছে ?

   (i) প্ৰথম অংকৰ তৃতীয় দৰ্শন (ii) প্ৰথম অংকৰ প্ৰথম দৰ্শন

   (iii) দ্বিতীয় অংকৰ চতুৰ্থ দৰ্শন (iv) দ্বিতীয় অংকৰ প্ৰথম দৰ্শন

7. কাৰেঙৰ লিগিৰীত সুদৰ্শন আছিল —

(i) ৰাজ্যৰ মন্ত্ৰীৰ পুতেক (ii) ৰাজ্যৰ মুকুতা সাউদৰ পুতেক

(iii) ৰাজ্যৰ ৰজাৰ পুতেক (iv) অসমৰ এখন ৰাজ্যৰ কোঁৱৰ

8. ''আমাৰ দেশৰ ছোৱালীয়ে যাকে ইচ্ছা তাকে ভাল পাব পাৰে, কিন্তু যাকে ইচ্ছা তাকে বিয়া কৰাব নোৱাৰে। চৰুক সুধি চাউল নবহায়।'' উক্ত কথাষাৰ কৈছিল —

(i) ৰাজমাও (ii) কাঞ্চনমতী

(iii) বুঢ়াগোহাঁইনী (iv) শেৱালি

9. ''কুঁৱৰী, মোৰ এয়াই প্ৰথম আৰু শেষ কথা। তুমি মোৰ জীৱনৰ পৰা আঁতৰি যাব লাগিব।'' উক্ত কথাষাৰ কোন অংকৰ কোন দৰ্শনৰ অন্তৰ্গত —

(i) দ্বিতীয় অংকৰ প্ৰথম দৰ্শনত আছে

(ii) দ্বিতীয় অংকৰ দ্বিতীয় দৰ্শনত আছে

(iii) দ্বিতীয় অংকৰ তৃতীয় দৰ্শনত আছে

(iv) দ্বিতীয় অংকৰ চতুৰ্থ দৰ্শনত আছে

10. কাজিৰঙা অৰণ্য। .......... পাৰ। (খালি ঠাইত শুদ্ধ উত্তৰটো বিচাৰি লিখা) —

(i) দিখৌৰ পাৰ (ii) লুইতৰ পাৰ

(iii) ভোগদৈৰ পাৰ (iv) জাঁজীৰ পাৰ